আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JANUARY 27, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩০ Guwahati, Assam ।। মূল্যঃ এটকা

# ‘জয় আই অসম’ এৰি ‘জয় শ্ৰীৰাম’!

## ৰাষ্ট্ৰীয় দলক নেতা যোগানেই আছুৰ কাম!



**ই-সংবাদ বিশেষ, ২৭ জানুৱাৰীঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ঔৰষত জন্মলাভ কৰা অগপ দলে ১৯৮৫ আৰু ১৯৯৬ চনত দুবাৰকৈ চৰকাৰ গঠন কৰিছিল আৰু মুখ্যমন্ত্ৰী হৈছিল প্ৰাক্তন আছুৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত। অসম আন্দোলনৰ পাছতে প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত আশীৰ দশকত আছুৰ নেতাসকলে অগপত যোগদান কৰিছিল। কিন্তু ২০১৪ চনৰ পূৰ্বে নৰেন্দ্ৰ মোদী শেষাংশ ২ পৃষ্ঠাত



নতুন দিল্লীৰ কৰ্তব্য পথত ৭৫ তম গণৰাজ্য দিৱস উদযাপনত দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী

## ৰাজনীতিয়ে হেৰুৱাইছে দিশ

# নীতিহীন নীতিশ

**নতুন দিল্লী, ২৭ জানুৱাৰীঃ** সন্মুখত লোকসভা নিৰ্বাচনৰ ৰণক্ষেত্ৰ। তাৰ পূৰ্বেই ইণ্ডিয়া মিত্ৰজোঁটত ফাট মেলাই পুনৰ এবাৰ বিহাৰ ৰাজনীতিৰ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে মুখ্যমন্ত্ৰী নীতিশ কুমাৰ। ইণ্ডিয়া মিত্ৰজোঁটৰ পৰা আঁতৰি পুনৰ এবাৰ নীতিশ কুমাৰে এনডিএৰ সৈতে হাত মিলাব বুলি চৰ্চা তীব্ৰতৰ হৈ পৰিছে। অৱশ্যে এই সন্দৰ্ভত এতিয়াও কোনো ধৰণৰ স্পষ্ট মন্তব্য কৰা নাই নীতিশ কুমাৰে। কিন্তু শেহতীয়াকৈ তেওঁ পৰিয়ালবাদক লৈ কৰা তীৰ্যক মন্তব্য আৰু গণৰাজ্য দিৱসত ৰাজভৱনত আয়োজিত চৰকাৰী অনুষ্ঠানত চৰকাৰৰ সহযোগী দল আৰজেডি আৰু কংগ্ৰেছৰ অনুপস্থিতিয়ে এই চৰ্চাক অধিক মান্যতা প্ৰদান কৰা পৰিলক্ষিত হৈছে। শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জয় আই অসম এৰি জয় শ্ৰীৰাম

ধুমুহাত আছুৰ নেতৃত্বই জাতীয়তাবাদী শিবিৰৰ পৰা পাভলুটি মাৰিবলৈ আৰম্ভ কৰিলে। একালৰ যুৱ ছাত্ৰ পৰিষদৰ নেতা, অগপ দলৰ সভাপতি তথা বিৰোধী দলপতি হোৱাৰ পাছতো প্ৰথমে চন্দ্ৰমোহন পাটোৱাৰীয়ে বিজেপিত যোগদান কৰে। তাৰ পাছতে সৰ্বানন্দ সোণোৱাল, হিতেন্দ্ৰনাথ গোস্বামী, পদ্ম হাজৰিকা আদি নেতাই অগপক বিদায় জনাই গেৰুৱা বসন পৰিধান কৰে। যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মনোজ বৰুৱা, তপন কুমাৰ গগৈয়ো বিজেপিত যোগদান কৰে। এইসকল বৰ্তমান সৰ্বভাৰতীয় দল বিজেপিৰ প্ৰতি ধাৱমান হৈছে। কিন্তু কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ দল শাসনত থকাৰ সময়ত জাতীয়তাবাদী তথা আছুৰ একাংশ নেতৃত্ব কংগ্ৰেছৰ প্ৰতি ধাৱমান হৈছিল। উদাহৰণ হৈছে ভৰত নৰহ, অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, শংকৰ ৰায় আদি। প্ৰকৃততে অসমত ৰাজনৈতিক দলৰ নেতা গঢ়াৰ 'কমাৰশাল' আছুৰ প্ৰডাক্টসমূহ ৰাষ্ট্ৰীয় দলৰ প্ৰতি আকৰ্ষিত হোৱাত বিজেপিয়ে আকোৱালি লৈছে। শেহতীয়াকৈ আছুৰ শীৰ্ষ নেতৃত্ব বিজেপিৰ প্ৰতি নৰম বুলি বু-বু বা-বা চলি থকাৰ সময়তে কেইবাগৰাকীও আছুৰ নেতাই গেৰুৱা বসন পিন্ধিবলৈ সাজু হৈছে। সিদিনা নাগৰিকত্ব সংশোধনী বিধেয়ক বিৰোধী আন্দোলনৰ নেতৃত্ব লোৱা দীপাংক কুমাৰ নাথে, প্ৰকাশ দাসে বিজেপিত যোগদান কৰি জয় আই অসমৰ পৰিৱৰ্তে 'জয় শ্ৰী ৰাম' শ্ল'গান দিবলৈ সাজু হৈছে। ইতিমধ্যে ছমাহ পূৰ্বলৈ আছুৰ শীৰ্ষ পদবীত থকা দুই নেতাই বিজেপিত যোগদান কৰাটো খাটাং হৈছে। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছতে অসমত গেৰুৱা বসন পিন্ধিবলৈ সাজু হৈছে কেইবাগৰাকীও প্ৰাক্তন আছু আৰু কংগ্ৰেছী। আম আদমী পাৰ্টীৰ প্ৰাক্তন নেতাইও পিন্ধিব গেৰুৱা বসন। চৰ্চাত থকা নামসমূহ হৈছে আছুৰ প্ৰাক্তন সভাপতি দীপাংক কুমাৰ নাথ, শংকৰ প্ৰসাদ ৰায়, প্ৰাক্তন উপদেষ্টা প্ৰকাশ দাস, কংগ্ৰেছৰ প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈ, যুৱ কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী অংকিতা দত্ত আৰু কমল কুমাৰ মেধি। কমল কুমাৰ মেধিয়ে ৫ ফেব্ৰুৱাৰীত বিজেপিত যোগদান কৰিব বুলি খবৰ প্ৰকাশ পাইছে। আনহাতে দীপাংক কুমাৰ নাথ, প্ৰকাশ দাস, বিস্মিতা গগৈ, অংকিতা দত্তই ২৮ জানুৱাৰীত বিজেপিত যোগদান কৰিব। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দীপাংক কুমাৰ নাথে মৰিগাঁও অধিৱেশনত অতিথি হিচাপে উপস্থিত আছিল। দীপাংক কুমাৰ নাথে আছুৰ অধিৱেশনত উপস্থিত থাকি ভৱিষ্যত দিনৰ ৰাজনৈতিক পৰিকল্পনা সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ বৰ্তমানৰ নেতৃত্বৰ পৰামৰ্শ লৈ পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰিম বুলি ভাষ্য আগবঢ়াইছিল। এতিয়া প্ৰশ্ন উত্থাপিত হৈছে যে দীপাংক কুমাৰ নাথে আছুৰ সৈতে কথা পাতি ২৮ জানুৱাৰীত বিজেপিত যোগদান কৰাৰ সিদ্ধান্ত ল'লে নেকি? সিদ্ধান্ত অনুসৰি ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'বলগীয়া যোগদান কাৰ্যসূচীত দীপাংকই যোগদান কৰি ৰাজনৈতিক পথাৰত ভৰি দিব। একেই ধৰণে 'কা' আন্দোলনৰ নেতৃত্বত আছিল আছুৰ প্ৰাক্তন উপদেষ্টা প্ৰকাশ দাস। গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ আন্দোলনৰ নেতৃত্ব আছিল প্ৰকাশ দাসৰ হাতত। কিন্তু সময়ৰ শৰ সময়ত মাৰিব জনা আছুৰ নেতা দাসে হাজো সমষ্টিত নিৰ্বাচন খেলিবলৈ সাজু হৈছে। আছুৰ পৰা স্বেচ্ছাই অব্যাহতি লৈ বিজেপিত যোগদান কৰিব দাসে। ৰাহুল গান্ধীয়ে অসমত ন্যায় যাত্ৰা কৰি যোৱাৰ পাছতে কংগ্ৰেছ নেত্ৰী তথা প্ৰাক্তন বিধায়ক বিস্মিতাগগৈও বিজেপিমুখী হ'বলৈ মন মেলিছে। দীৰ্ঘ সময়ত বিধায়ক নিৰ্বাচিত হ'ব নোৱাৰা বিস্মিতা গগৈ ৰাহুল গান্ধীৰ যাত্ৰাতো সক্ৰিয় নাছিল। ২৫ জানুৱাৰীত ৰাহুল গান্ধীৰ যাত্ৰা পশ্চিমবংগত প্ৰৱেশ কৰাৰ পাছতে বিস্মিতা গগৈয়ে ২৮ জানুৱাৰীত বিজেপিত যোগদান কৰাটো খাটাং হৈছে বুলি জানিব পৰা গৈছে। বিস্মিতা গগৈ আছিল কংগ্ৰেছৰ প্ৰয়াত নেতা তথা প্ৰাক্তন মন্ত্ৰী জীৱকান্ত গগৈৰ বোৱাৰী। জীৱকান্ত গগৈ অসম বিধান সভাৰ অধ্যক্ষ আৰু হিতেশ্বৰ শইকীয়া মন্ত্ৰীসভাত দুবাৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। খুমটাই সমষ্টিত তিনিবাৰকৈ বিধায়ক নিৰ্বাচিত হৈছিল। জীৱকান্ত গগৈৰ পুত্ৰবধু বিস্মিতা গগৈয়ে বিজেপিত যোগদান কৰাৰ খবৰে খুমটাই সমষ্টিত ব্যাপক চৰ্চা লাভ কৰিছে। বিস্মিতাই ২০১১ চনত বিধায়িকা নিৰ্বাচিত হৈছিল। অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি অঞ্জন দত্তৰ কন্যা অংকিতা দত্তইও বিজেপিত যোগদান কৰিব। ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ সময়ত যাত্ৰাপথত প্ৰতিবাদ সাব্যস্ত কৰি পুনৰ চৰ্চালৈ অহা অংকিতা দত্তই সমৰ্থকৰ হেঁচাত বিজেপিত যোগদান কৰিবলৈ ওলাইছে বুলি মত ব্যক্ত কৰে। অংকিতা অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি পদতো আছিল। আমগুৰিত দুবাৰকৈ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হ'ব নোৱাৰাৰ লগতে নিজ দলৰে শীৰ্ষ নেতাৰ বিৰুদ্ধে যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰি গোচৰ তৰাৰ পিছত দলৰ পৰা বহিষ্কৃত হৈছিল অংকিতা। আনহাতে, আছুৰ প্ৰাক্তন সভাপতি শংকৰ প্ৰসাদ ৰায়ে ২০১৪ চনৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিত যোগদান কৰিছিল যদিও টিকট প্ৰদান নকৰাত কংগ্ৰেছলৈ যায়। বৰ্তমানেও কংগ্ৰেছত আছিল যদিও কংগ্ৰেছতো মোহভংগ হোৱাত বিজেপিত যোগদান কৰিব। দল বাগৰা নেতাৰূপে অসমত খ্যাতি লাভ কৰা আম আদমী পাৰ্টীৰ নেতা কমল কুমাৰ মেধিয়েও বিজেপিত যোগদানৰ মন মেলিছে। ৰাইজৰ দল, কংগ্ৰেছ, আপ আদি দলৰ পিছত কমল কুমাৰ মেধিয়েও বিজেপিত যোগদান কৰিব বুলি চৰ্চা চলিছে। এনেকৈ এতিয়া বিজেপিত ভিৰ লাগিছে ৰাজ্যৰ নেতাসকলৰ।





■ শোণিতপুৰত মুখ্যমন্ত্ৰীৰ ছেলফি, আনখন ফটোত বিধায়ক পদ্ম হাজৰিকাৰ কন্যাকা বহুমুখী পামত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## নীতিহীন নীতিশ

কোনো কোনো সংবাদ মাধ্যমে কৰা দাবী অনুসৰি ২৮ জানুৱাৰীত বিজেপিৰ সহযোগত মুখ্যমন্ত্ৰীৰ শপত ল'ব নীতিশ কুমাৰে। উল্লেখ্য যে, পূৰ্বেও একাধিক বাৰ মিত্ৰতা সলনি কৰি বিহাৰ ৰাজনীতিত 'মিত্ৰতা সলোৱা নেতা' হিচাপে পৰিচিত হৈ পৰিছিল নীতিশ কুমাৰ। ২০১৪ৰ লোকসভা নিৰ্বাচৰ এবছৰ পূৰ্বে অৰ্থাৎ ২০১৩ চনত তেওঁ এন ডি এৰ পৰা পৃথক হৈ ৰাষ্ট্ৰীয় জনতা দল আৰু কংগ্ৰেছৰ সৈতে মিলি মহামিত্ৰজোঁট গঠন কৰিছিল। কিন্তু ইয়াৰ মাত্ৰ ৪ বছৰ পিছতে তেওঁ পুনৰ এই মহা মিত্ৰজোঁটৰ পৰা পৃথক হয় আৰু পুনৰ এবাৰ বিজেপি নেতৃত্বৰ এন ডি এৰ সৈতে চামিল হৈ চৰকাৰ গঠন কৰে। কিন্তু ডেৰ বছৰ পূৰ্বে আকৌ এবাৰ তেওঁ বিজেপিৰ সৈতে সম্পৰ্ক ছেদ কৰি কংগ্ৰেছ আৰু আৰ জে ডিৰ সৈতে মিলি শাসনৰ গাদীত বহে। বাৰে বাৰে এনেদৰে মিত্ৰদল সলনি কৰি অহা নীতিশ কুমাৰে ২০২৪ৰ লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে আকৌ এন ডি এত চামিল হ'ব বুলি চলি থকা জল্পনা-কল্পনাই অস্থিৰ কৰি তুলিছে বিহাৰৰ ৰাজনৈতিক পৰিৱেশ।

সমান্তৰালভাৱে নীতিশ কুমাৰ বিজেপিমুখী হোৱাৰ সম্ভাৱনাই আঘাত হানিছে লোকসভা নিৰ্বাচনক পৰিপ্ৰেক্ষিতত গঠন হোৱা ইণ্ডিয়া মিত্ৰজোঁটতো। উল্লেখ্য যে, বিজেপিৰ বিৰুদ্ধে বিৰোধীৰ ঐক্য গঠনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল নীতিশ কুমাৰে। তেঁৱেই প্ৰথমবাৰৰ বাবে বিৰোধী দলৰ নেতাক পাটনালৈ আমন্ত্ৰণ জনাই বৈঠক অনুষ্ঠিত কৰি বিৰোধী ঐক্যৰ ভেটি স্থাপন কৰিছিল। কিন্তু এতিয়া নীতিশ কুমাৰে ইণ্ডিয়া মিত্ৰজোঁট ত্যাগ কৰিব বুলি চলা চৰ্চাই মিত্ৰজোঁটৰ স্থিতি ভংগুৰ কৰি তুলিছে। কিয়নো ইতিমধ্যে আম আদমী পাৰ্টিয়ে পঞ্জাৱত আৰু তৃণমূল কংগ্ৰেছে পশ্চিম বংগত অকলেই নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি স্পষ্ট কৰি দিছে। ইফালে নীতিশ কুমাৰে বিৰোধীৰ ঐক্য ত্যাগ কৰাৰ কেইবাটাও কাৰণ অনুমান কৰা হৈছে। একাংশই দাবী কৰা মতে, নীতিশ কুমাৰক বিৰোধী ঐক্যৰ মুখ্য চেহেৰা নবনোৱাৰ বাবেই তেওঁ বিজেপিত চামিল হোৱাৰ যো-জা চলাইছে। আন একাংশৰ মতে মিত্ৰজোঁটত চলি থকা আন্তঃকন্দ্বলৰ বাবেই

এনে সিদ্ধান্ত লৈছে নীতিশ কুমাৰে। বিহাৰৰ আৰ জে ডি সাংসদ মনোজ কুমাৰ ঝাই কয়, “সংবাদ মাধ্যমত প্ৰচাৰ হৈ থকা বাতৰিৰ ওপৰত স্পষ্টীকৰণ জাৰি কৰাটো কাৰ দায়িত্ব?” নীতিশ কুমাৰৰ ফালে আঙুলিয়াই তেওঁ কয়, "মিত্ৰজোঁটৰ নেতা কোন? আৰজেডিয়ে পক্ষ সলনি কৰিবলৈ সাজু হৈছে বুলি ক'তো শুনা নাই। সেইবাবেই মই কৈছোঁ যে সৃষ্টি হোৱা বা দেখুওৱা এই সংকটৰ ডাৱৰবোৰ কোনে আঁতৰাব লাগিব? নিশ্চিতভাৱে এয়া কেৱল মাননীয় মুখ্যমন্ত্ৰীৰ কাম।” নীতিশ কুমাৰে তেওঁৰ লৈ চলি থকা এই চৰ্চা সন্দৰ্ভত কোনো স্পষ্টীকৰণ অৱশ্যে এতিয়াও প্ৰদান কৰা নাই। কিন্তু লক্ষণীয়ভাৱে সুৰ সলনি হৈছে বিজেপিৰো। পূৰ্বে নীতিশ কুমাৰৰ বাবে এনডিএৰ দুৱাৰ বন্ধ বুলি কৈ অহা কেন্দ্ৰীয় মন্ত্ৰী তথা বিহাৰ বিজেপিৰ নেতা গিৰিৰাজ সিঙে এতিয়া সুৰ সলনি কৰি কয়, 'মই কাৰো বিৰোধী নহয় বা আদৰণি জনোৱা নাই, বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই এই সিদ্ধান্ত ৰাজ্য আৰু দলৰ স্বাৰ্থত ল'ব।' একে সময়তে বিজেপি নেতা সুশীল মোদীয়েও কয় যে ৰাজনীতিত

কাৰো বাবে দুৱাৰ স্থায়ীভাৱে বন্ধ নহয়। তেওঁ কয়, "ৰাজনীতিত কোনো দুৱাৰ বন্ধ নহয়। প্ৰয়োজন অনুসৰি দুৱাৰ বন্ধ কৰা হয় আৰু খুলি দিয়া হয়।" উল্লেখ্য যে, শেহতীয়াকৈ বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্পুৰী ঠাকুৰৰ এশ সংখ্যক জয়ন্তীত মুখ্যমন্ত্ৰী নীতিশ কুমাৰে পৰিয়ালবাদক লৈ মন্তব্য কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ পিছতে ৰাজনীতিত তেওঁৰ স্থিতি সলনি হোৱাৰ চৰ্চা আৰম্ভ হৈছিল। নীতিশ কুমাৰে তেওঁৰ এনে মন্তব্যৰে আৰ জে ডিক লক্ষ্য কৰি লোৱা বুলিও বাতৰি প্ৰচাৰ হৈছিল। ইফালে এনেধৰণৰ চৰ্চাৰ মাজতে ২৬ জানুৱাৰীত অনুষ্ঠিত গণৰাজ্য দিৱসৰ অনুষ্ঠানত ৰাজভৱনত মুখ্যমন্ত্ৰীৰ সৈতে অনুপস্থিত থাকে উপ-মুখ্যমন্ত্ৰী তথা আৰ জে ডি নেতা তেজস্বী যাদৱ। অনুষ্ঠানত মিত্ৰদল কংগ্ৰেছো অনুপস্থিত থকাৰ পিছতে নীতিশ কুমাৰৰ এন ডি এলৈ ঢাপলি মেলাৰ চৰ্চা অধিক তীব্ৰতৰ হৈ উঠে। এতিয়া খবৰ অনুসৰি, আৰজেডি-কংগ্ৰেছৰ মিত্ৰতা এৰি ২৮ জানুৱাৰীত নীতিশ কুমাৰে বিজেপিৰ সৈতে মুখ্যমন্ত্ৰীৰ শপত ল'ব।

# কাজিৰঙাৰ পৰা গঁড় নিধন কৰি খৰ্গ কাটি নিয়া দুৰ্ধৰ্ষ চিকাৰী জগু পেগুক গ্ৰেপ্তাৰ

**ই-সংবাদ, খুমটাই, ২৭ জানুৱাৰীঃ** ২২ জানুৱাৰীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰি কাটি নিছিল খৰ্গ৷ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা বুলি দাবী কৰি অহা হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনতে চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰা খৰ্গ কাটি নিয়াত চাঞ্চল্যৰ সৃষ্টি হৈছিল৷ কাজিৰঙাৰ অগৰাতলী ৰেঞ্জত খৰ্গ বিহীন মৃত গঁড় উদ্ধাৰ হৈছিল আৰু চোৰাং চিকাৰীয়ে গঁড়টোক গুলীয়াই হত্যা কৰি খৰ্গ কাটি নিয়াৰ সন্দেহ কৰা হৈছিল৷ অগৰাতলীৰ মাকলুং বন শিবিৰত মৃত গঁড় উদ্ধাৰ কৰাৰ পাছতে চোৰাং চিকাৰীক বিচাৰি বন বিভাগে অভিযান আৰম্ভ কৰি চোৰাং চিকাৰী জগু পেগুক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে৷ মণিপুৰী চিকাৰীৰ সৈতে লগলাগি জগু পেগুৱে ২১ জানুৱাৰীৰ আবেলি মাকলুং বন শিবিৰত প্ৰৱেশ কৰি গঁড়টো নিধন কৰিছিল। বিয়াগোম বন বিভাগৰ নিৰাপত্তা বেষ্টনি ভাঙি জগু পেগুৰ নেতৃত্বত চোৰাং চিকাৰীৰ দলটোৱে গঁড় হত্যা কৰি উধাও হৈছিল৷ ২৪ জানুৱাৰী নিশা গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ নেতৃত্বত চলোৱা অভিযানত গঁড় হত্যাৰ মাষ্টৰ মাইণ্ড জগু পেগুক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জগুৰ বৰবালি গাঁওস্থিত ঘৰৰ পিছফালে পুতি থোৱা অৱস্থাত বৃহৎ আকাৰৰ গঁড় খৰ্গ উদ্ধাৰ হয়। জগু পেগুৰ বিৰুদ্ধে বোকাখাত থানাত গোচৰ ৰুজু কৰি জেৰাত কৰাত চিকাৰী জগু পেগুৱে বিস্ফোৰক স্বীকাৰোক্তি দিছে। চিকাৰী পেগুৰ স্বীকাৰোক্তিত গঁড় হত্যাত জড়িত বহু চিকাৰীৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে৷



# অসমত চিনাক্ত কৰা হৈছে বাংলাদেশৰ মৌলবাদী সংগঠন

## গণৰাজ্য দিৱসত পতাকা উত্তোলন কৰি ক'লে ৰাজ্যপালে

**ই-সংবাদ, ২৭ জানুৱাৰীঃ** ৰাজ্যৰ ৰাজধানী গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ সদৰ, মহকুমা সদৰ আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ত আড়ম্বৰপূৰ্ণভাৱে গণৰাজ্য দিৱস পালন কৰা হয়। অসমৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াই খানাপাৰা খেলপথাৰত গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰে। গোলাব চান্দ কাটাৰিয়াই অসম আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ পেৰেড গ্ৰহণ কৰি নিৰাপত্তাৰক্ষীৰ বিভিন্ন প্ৰদৰ্শনী প্ৰত্যক্ষ কৰি আপ্লুত হয়। গোলাব চান্দ কাটাৰিয়াই গণৰাজ্য দিৱসত ভাষণ প্ৰদান কৰি শান্তি চুক্তিয়ে অসমত উন্নয়নৰ পথ সুদৃঢ় কৰিছে বুলি দাবী কৰে। চুবুৰীয়া ৰাজ্যৰ সৈতে থকা সীমা বিবাদ নিষ্পত্তি অসমৰ বাবে আন এক গুৰুত্বপূৰ্ণ সাফল্য বুলি অভিহিত কৰে ৰাজ্যপাল কাটাৰীয়াই। ৰাজ্যপাল কাটাৰীয়াই আৰু কয় যে কল্যাণমূলক আঁচনিসমূহ জনসাধাৰণৰ কল্যাণৰ বাবে। উন্নয়নৰ বাবে শান্তি অপৰিহাৰ্য। শান্তি স্থাপন হোৱাত অসমত উন্নয়ন হৈছে। ডিচেম্বৰত মাহত কৰা আলফাৰ সৈতে শান্তি চুক্তি আৰু এপ্ৰিল মাহত কৰা ডিমাচা শান্তি চুক্তিৰ কথা উল্লেখ কৰে কাটাৰীয়াই। দুৰ্নীতিৰ বিৰুদ্ধেও শূণ্য সহনশীল অসম চৰকাৰ। বহু বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাজ্যপাল কাটাৰীয়াই আৰু কয় যে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমা বিবাদ নিষ্পত্তি কৰাটো চৰকাৰৰ বাবে আন এক সফলতা। অসম-অৰুণাচল চৰকাৰে চুক্তি স্বাক্ষৰ কৰিছে। ফলত সীমান্ত এলেকাৰ বহু কেইটা বিবাদ নিষ্পত্তি ঘটিছে। আনহাতে মিজোৰামৰ সৈতে মতভেদ সমাধানৰ বাবে সমিতি গঠন কৰি আলোচনা চলাই থকা হৈছে। কাটাৰীয়াই ইছলামিক উগ্ৰপন্থী সংগঠনৰ কথা উল্লেখ কৰি কয় যে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াক নিষিদ্ধ কৰা হৈছে। নেতাসকলক গ্ৰেপ্তাৰ কৰা হৈছে। অসমত বাংলাদেশৰ কেইবাটাও মৌলবাদী সংগঠনো চিনাক্ত কৰি অভিযান চলাই অসম আৰক্ষী সফল হৈছে। বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান চলাইছে আৰু ২০২৬ চনৰ ভিতৰত বাল্য বিবাহ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লক্ষ্য লৈছে অসম চৰকাৰে।

## পশ্চিমবংগত ন্যায় যাত্ৰাত ভাগ ল'বলৈ জনালে আহ্বান

# মমতা বেনাৰ্জীলৈ বিশেষ পত্ৰ প্ৰেৰণ মল্লিকাৰ্জুন খাৰ্গেৰ

**ই-সংবাদ, ২৭ জানুৱাৰীঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে 'ইণ্ডিয়া' মিত্ৰজোঁটত নাথাকো বুলি স্পষ্ট কৰিছে৷ তাৰ পাছতো লোকসভা নিৰ্বাচনত মমতা বেনাৰ্জীৰ সৈতে লগলাগি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ আশা এৰি দিয়া নাই৷ ইয়াৰ মাজতে কাইলৈৰ পৰা পশ্চিমবংগত পুনৰ আৰম্ভ হ'ব ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা৷ ৰাহুল গান্ধীৰ যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ মমতা বেনাৰ্জীক বিশেষ পত্ৰ প্ৰদান কৰিছে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে৷ পত্ৰযোগে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক ন্যায় যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। যাত্ৰা সুচাৰুৰূপে সম্পন্ন কৰিবলৈ আৰু পদযাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে উপযুক্ত নিৰ্দেশনা জাৰি কৰিবলৈও অনুৰোধ জনাইছো খাৰ্গেয়ে৷ মণিপুৰৰ পৰা আৰম্ভ হোৱা আৰু মহাৰাষ্ট্ৰত সমাপ্ত হ'ব এই যাত্ৰা। একে সময়তে, এই যাত্ৰা পুনৰ এবাৰ বিহাৰ হৈ কলকাতাত প্ৰৱেশ কৰিব।

# আলফালৈ যোৱাৰ সন্দেহ! নিৰুদ্দেশ নাহৰকটীয়াৰ টিকেন্দ্ৰজিৎ

**ই-সংবাদ, ২৭ জানুৱাৰীঃ** সংযুক্ত মুক্তি বাহিনী, অসমৰ এটা ফৈদে কেন্দ্ৰীয় চৰকাৰৰ সৈতে চুক্তি স্বাক্ষৰ কৰি শসস্ত্ৰ পন্থাৰ অৱসান ঘটায়৷ কিন্তু বৰ্তমানেও ম্যানমাৰৰ জংঘলত সক্ৰিয় আলফাৰ আন এটা ফৈদ৷ পৰেশ বৰুৱাৰ নেতৃত্বৰ আলফা স্বাধীনৰ ফৈদে সশস্ত্ৰ সংগ্ৰাম অব্যাহত ৰাখিছে৷ যাৰ বাবে আজিও অসমৰ যুৱকে আলফা স্বাধীনত যোগদান কৰি আহিছে৷ এইবাৰ উজনি অসমৰ ডিব্ৰুগড় জিলাৰ বিবাহিত যুৱকে আলফা স্বাধীনত যোগদান কৰাৰ সন্দেহ কৰা হৈছে৷ ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ ১নং ধাদুমীয়া গাঁৱৰ এটা সন্তাৰ পিতৃ ৩০ বছৰীয়া টিকেন্দ্ৰজিৎ হাজৰিকা ওৰফে মাইনাই আলফা স্বাধীনত যোগদানৰ সন্দেহ কৰা হৈছে। টিকেন্দ্ৰজিৎ হাজৰিকাই বৃহস্পতিবাৰে পুৱা ঘৰৰ পৰা ওলাই গৈ বৰ্তমানেও নিৰুদ্দেশ হৈ আছে৷ ঘৰৰ পৰা ওলাই গৈ টিকেন্দ্ৰজিতে পৰিয়ালৰ লোকৰ সৈতে যোগাযোগ কৰা নাই৷ পৰিয়ালে নাহৰকটীয়া আৰক্ষীক নিৰুদ্দেশ সন্দৰ্ভত এখন লিখিত অভিযোগ দাখিল কৰিছে। আৰক্ষীয়ে মোবাইল লোকেচন পৰীক্ষা কৰাত চৰাইদেউৰ বৰহাটত এক্টিভ থকা বুলি অৱগত হোৱাত উদ্ধাৰ অভিযান চলাই থকা বুলি জানিব পৰা গৈছে৷ টিকেন্দ্ৰজিতৰ ঘৰত বৃদ্ধা মাতৃ থকাৰ লগতে পত্নী আৰু ৬ বছৰীয়া কন্যা সন্তানো আছে৷ যাৰ বাবে পত্নীয়ে টিকেন্দ্ৰজিতক শীঘ্ৰে ঘৰলৈ উভতি আহিবলৈ কাতৰ আহ্বান জনাইছে৷ ফোনেৰে বিভিন্ন পক্ষৰে যোগাযোগ কৰা তথ্যৰ ভিত্তিত আলফা স্বাধীনৰ নেতাৰে যোগাযোগ কৰাৰো তথ্য প্ৰকাশ পাইছে বুলিও জানিব পৰা গৈছে।

# দিল্লীৰ আপ বিধায়কক ২৫ কোটিৰ প্ৰলোভন বিজেপিৰ!

**নতুন দিল্লী, ২৭ জানুৱাৰীঃ** আজি পুৱাই দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে এক্সত এটা পোষ্ট দি বিজেপিৰ বিৰুদ্ধে চৰকাৰ ভাঙিব খোজাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে৷ কেইবা কোটি টকাৰ প্ৰলোভন দি চৰকাৰ পতন কৰিব খোজাৰ অভিযোগৰ পাছতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ বিহাৰত চৰকাৰ ভংগ হোৱাৰ চৰ্চাৰ মাজতে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দিল্লী চৰকাৰ ভাঙিব খুজি আপৰ বিধায়কক টকাৰ লোভ দিয়াৰ অভিযোগ আনে৷ কেজৰিৱালে এক্সত পোষ্ট দি কয় যে বিজেপিয়ে আপৰ ৭ বিধায়কক যোগাযোগ কৰি ক্ৰয় কৰিবলৈ চেষ্টা কৰিছে। বিধায়কসকলক ২৫ কোটি টকাৰ প্ৰলোভন দিছিল। আবকাৰী নীতিৰ গোচৰত ইডিয়ে জাননী জাৰি কৰি থকাৰ সময়তে কেজৰিৱালৰ এনে অভিযোগৰ পাছতে দিল্লীৰ ৰাজনীতি গৰম হয়৷ কেজৰিৱালে আৰু কয় যে মোক শীঘ্ৰে গ্ৰেপ্তাৰ কৰা হ'ব। তাৰ পাছত দলৰ বিধায়কক বিজেপি দ'ললৈ নিব। ২১ বিধায়কৰ সৈতে কথা পাতি, বাকী বিধায়কৰ সৈতেও যোগাযোগ কৰিব বিজেপিয়ে। দিল্লীৰ আপৰ চৰকাৰ ভাঙি পেলাব বুলি অভিযোগ আনি কেজৰিৱালে আৰু কয় যে বিজেপিলৈ গ'লে ২৫ কোটি টকা আৰু টিকট দিয়াৰ প্ৰলোভন দিয়া হৈছে৷ বিজেপিয়ে বিগত ৯ বছৰে এনে প্ৰয়াস কৰি গৈছে। কিন্তু সফল হ'ব পৰা নাই।

# শান্তি চুক্তিৰ বৰ্ষপূৰ্তিৰ দিনাই গৰজি উঠিল প্ৰাক্তন এনডিএফবি

## চুক্তি স্বাক্ষৰ হ'ল যদিও প্ৰতিষ্ঠা নহ'ল শান্তি

**ওদালগুৰি ২৭ জানুৱাৰীঃ** চতুৰ্থ বিটিআৰ চুক্তি দিৱস পালন কৰাৰ দিনটোতে ওদালগুৰিত গৰজি উঠিল একাংশ প্ৰাক্তন এনডিএফবিৰ। শান্তি চুক্তিৰ দিনটোতেই প্ৰতিবাদত নামিল একাংশ প্ৰাক্তন এনডিএফবি নেতা-সদস্য। আজি বিটিআৰ চুক্তি স্বাক্ষৰ হোৱাৰ চতুৰ্থ বৰ্ষপুৰ্তিৰ দিনটোত প্ৰাক্তন এন ডি এফ বি ঐক্য মঞ্চৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত ক'লা দিৱস পালন কৰাৰ লগতে একাংশ এন ডি এফ বিৰ প্ৰাক্তন নেতা সদস্যই হাতে হাতে বেনাৰ পোষ্টাৰ লৈ ৰঞ্জন দৈমাৰীৰ লগতে কাৰাবন্দী এন ডি এফ বি নেতা সকলক মুক্তি দিয়া, প্ৰাক্তন এনডিএফবিসকলক উপযুক্ত পুনৰসংস্থাপন আৰু শ্বহীদ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনায়। প্ৰতিবাদত ঐক্য মঞ্চৰ সাংগঠনিক সম্পাদক বি বৌহিবাইথাই বিটিআৰ চুক্তিৰ জড়িয়তে পৃথক বড়ো ৰাজ্যৰ দাবী নস্যাৎ কৰা বুলি ক্ষোভ প্ৰকাশ কৰি বড়ো ৰাইজৰ বাবে এইটো আনন্দৰ দিন নহয় বৰঞ্চ ক’লা দিন হিচাপেহে অভিহিত কৰে। তেওঁ কয় যে এনডিএফবিক বিপথে পৰিচালিত কৰি এবছুৰে এই চুক্তি কৰিলে। শান্তি চুক্তি হ'ল যদিও চাৰিবছৰে বিটিআৰলৈ শান্তি ঘূৰি নাহিল। আজিও ৰঞ্জন দৈমাৰীৰ লগতে কেবাজনো এনডিএফবি নেতা কাৰাগাৰতে থাকিবলগীয়া হ'ল। সকলো প্ৰাক্তন এনডিএফবিৰ পুনৰ সংস্থাপন নহ'ল। শ্বহীদ পৰিয়ালসমূহেও আৰ্থিক সাহায্য পোৱা নাই। এনেবোৰ কাৰণতে চুক্তি স্বাক্ষৰিত হ'ল যদিও শান্তি প্ৰতিস্থা নহ'ল। চুক্তিৰ পিছত বন্দুকৰ সংগ্ৰামখনহে বন্ধ হ'ল কিন্তু বড়ো ৰাইজৰ আশা আকাংক্ষা পূৰণ নহ'ল। এই চুক্তিৰ জড়িয়তে বড়ো ৰাইজৰ সপোনৰ পৃথক বড়ো ৰাজ্যৰ দাবীক নস্যাৎ কৰি পেলোৱা হ'ল। সেয়েহে এই দিনটো আমাৰ বাবে ক'লা দিন। তেও লগতে বড়ো ৰাইজৰ আশা আকাংশা পূৰণত চুক্তিখনে ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। আজিৰ এই প্ৰতিবাদত প্ৰাক্তন এন ডি এফ বি ঐক্য মঞ্চৰ ওদালগুৰি জিলা সমিতিৰ মুখপাত্ৰ ডি হাৰিমুৰ লগতে বহু কেইগৰাকী প্ৰাক্তন এন ডি এফ বি নেতা উপস্থিত থাকে।

### জাপান-শ্ৰীলংকাসহ দেশ-বিদেশৰ ১৮০ গৰাকী কবি সাহিত্যিকৰ অংশগ্ৰহণ

# কোকৰাঝাৰত আৰম্ভ হ’ল তৃতীয় কোকৰাঝাৰ সাহিত্য উৎসৱ

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ জানুৱাৰীঃ** কোকৰাঝাৰ চহৰৰ সমীপৱৰ্তী গৌৰাং নদীৰ পাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পৰ চৌহদত আজিৰে পৰা আৰম্ভ হ’ল তৃতীয় কোকৰাঝাৰ সাহিত্য উৎসৱ৷ তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা তৃতীয় কোকৰাঝাৰ সাহিত্য উৎসৱৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা অৰুণাচল বিধান সভাৰ অধ্যক্ষ পাছাং দৰ্জী সোণাই৷ তৃতীয় কোকৰাঝাৰ সাহিত্য উৎসৱত জাপান, ম্যানমাৰ, থাইলেণ্ড, শ্ৰীলংকা, ইষ্টনিয়া, কেনিয়া, বাংলাদেশ, ভূটানকে ধৰি আঠখন বিদেশী ৰাষ্ট্ৰৰ কবি-সাহিত্যিকৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ ১৮০ গৰাকী কবি-সাহিত্যিকে অংশগ্ৰহণ কৰিছে৷ উল্লেখ্য যে সাহিত্য উৎসৱৰ লগত সংগতি ৰাখি ‘লিৰথুমলাই‘ নামৰ এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰে অৰুণাচল বিধান সভাৰ অধ্যক্ষ পাছাং দৰ্জী সোণাই৷ কোকৰাঝাৰ সাহিত্য উৎসৱৰ আজিৰ প্ৰথম দিনা কবিতা আবৃত্তি, কবি সন্মিলন, সন্ধিয়া মমবাতি প্ৰজ্বলন আৰু সাংস্কৃতিক কাৰ্যসূচী আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়৷ সাহিত্য উৎসৱৰ উদ্বোধনী অনুষ্ঠানত কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচি প্ৰধান প্ৰমোদ বড়ো, কাৰ্যবাহী সদস্য নিলুৎ স্বৰ্গীয়াৰী, আয়োজক সমিতিৰ সভাপতি অনিল বড়ো, বিধায়ক লৰেন্স ইছলাৰীসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল৷ ইপিনে আয়োজক সমিতিৰ উপ সভাপতি তথা বিশিষ্ট সাহিত্যিক গোবিন্দ বড়োই জানিবলৈ দিয়া মতে এইবাৰ তৃতীয় সংখ্যক সাহিত্য উৎসৱৰ মূল বিষয় বস্তু হৈছে “সীমাগৈয়ৌ ফৗচালী নাগিৰনানী থাগিবি সুবুংফৰনি ফৰমাইথি” অৰ্থাৎ “সীমাহীন দিগন্তৰ অন্বেষণ স্থানীয় কথোন”৷ ২৯ জানুৱাৰীত নৈপৰীয়া সভ্যতাৰ ওপৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত হ’ব৷ ইয়াৰ বিষয় বস্তু হ’ব 'Governance and sustainable management' . উক্ত আলোচনা চক্ৰত ড° বীণা বিদ্যাধৰন, ইমানুৱেল মজিদ খান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেচৰ ড° অৱনী ভাগৱতীয়ে অংশগ্ৰহণ কৰিব৷ এইবাৰ পোন প্ৰথমবাৰৰ বাবে গৌৰাং সাহিত্য বঁটাও প্ৰদান কৰা হ’ব৷ সাহিত্য উৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসমৰ বিশিষ্ট কবি সমীৰ তাঁতীয়ে অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে৷

# কোকৰাঝাৰত চতুৰ্থ বিটিআৰ চুক্তি দিৱস উদযাপন

## বিটিআৰ চুক্তিক ৰাইজে সৰ্বশ্ৰেষ্ঠ আখ্যা দিছেঃ প্ৰমোদ বড়ো

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ জানুৱাৰীঃ** ২০২০ চনৰ আজিৰ দিনটোতে সম্পন্ন হৈছিল ঐতিহাসিক বিটিআৰ চুক্তি। নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ উদ্যোগত আজি কোকৰাঝাৰত চতুৰ্থ বিটিআৰ দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮:০০ বজাত দোতমাৰ থুলুংগাপুৰীত থকা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰাতিপুৱা ৯:০০ বজাত এবছুৰ পতাকা উত্তোলন কৰে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। ৯:১৫ বজাত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিলৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে। ৰাতিপুৱা ১০:০০ বজাত শান্তিৰ বাবে পাৰ চৰাই আৰু বেলুন উৰুৱাই দিয়া হয়। আনহাতে ৰাতিপুৱা প্ৰায় ১১:০০ বজাত চতুৰ্থ বড়ো শান্তি চুক্তি উপলক্ষে এবছুৰ উদ্যোগত শান্তি, একতা আৰু বুজাবুজিৰ বাবে কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰৰ পৰা গ্ৰীণ ফিল্ডলৈ এক বিশাল শোভাযাত্ৰা বাহিৰ কৰা হয়। উক্ত শোভাযাত্ৰাৰ ফ্লেগঅফ কৰে বিধায়ক লৰেন্স ইছলাৰীয়ে। শোভাযাত্ৰাটোৱে জেডি ৰোডেৰে প্ৰায় ৬ কিলোমিটাৰ পথ পদব্ৰজে অতিক্ৰম কৰি বিটিচি সচিবালয়ৰ নিকটৰ গ্ৰীণ ফিল্ডত উপস্থিত হয়। ইয়াৰ পিছতেই গ্ৰীণ ফিল্ডত এক বিশাল মুকলি সভা অনুষ্ঠিত হয়। এবছুৰ সভাপতি দ্বীপেন বড়োৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰমোদ বড়োৱে কয় যে বিটিআৰ চুক্তিৰ মূল চাৰিটা উদ্দেশ্য সফল হোৱা বুলি মন্তব্য কৰিছে। তেওঁ কয় যে বিটিআৰ চুক্তিৰ পিছতে অশান্তজৰ্জৰ অঞ্চলটোত শান্তি স্থাপন হ'ল, অঞ্চলটোত নিৰাপত্তা প্ৰতিষ্ঠা হ'ল, সকলো জাতি জনগোষ্ঠীৰ মাজত সমন্বয়, ঐক্যতা আৰু ভাতৃত্ববোধ গঠন হ'ল আৰু সকলোতকৈ ডাঙৰ কথা ইয়াত গণতান্ত্ৰিক পৰিৱেশ স্থাপন হ'ল। পূৰ্বৰ চৰকাৰৰ দিনত কোনো গণতন্ত্ৰ নাছিল আৰু হত্যা-হিংসাত অতিষ্ঠ হৈ বহুতেই বাসস্থান এৰি যাব লাগিব বুলি ভয় কৰিছিল। অকল ইমানেই নহয় পূৰ্বৰ দিনত ভাতৃঘাতী সংঘাত হৈছিল, হত্যা-হিংসা হৈছিল, সাংবাদিকৰ পৰা আৰম্ভ কৰি কলেজৰ প্ৰৱক্তা পৰ্যন্ত গুলীৰ চিকাৰ হৈছিল। অঞ্চলটোৰ পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হৈছিল। দশকৰ পিছত দশক ধৰি অনিশ্চিত পৰিৱেশ বিৰাজ কৰাত অঞ্চলটো সৰ্বদিশতে বাধাপ্ৰাপ্ত হৈছিল। শিক্ষা-ক্ৰীড়া, উন্নয়ন সকলোতে পিছপৰি গৈছিল। কিন্তু বিটিআৰ চৰকাৰ কাৰ্যভাৰ লোৱাৰ পিছতে অঞ্চলটোৰ দ্ৰুত পৰিবৰ্তন সাধন হ'ল আৰু এতিয়া সৰ্বদিশতে প্ৰভুত উন্নয়ন সাধন হৈছে। মেট্ৰিকৰ সৰ্বনিম্ন স্থানত থকা চিৰাং জিলাই উচ্চস্থানলৈ গৈছে। এপিএচচিৰ পৰীক্ষাত বিটিআৰ এলেকাৰ পৰা এইবাৰ ৫০ জনে সফলতা লাভ কৰিছে। ক্ৰীড়াৰ ক্ষেত্ৰত সুনাম অৰ্জন কৰিছে। ইয়াত আন্ত:ৰাষ্ট্ৰীয় জ্ঞান মেলা অনুষ্ঠিত হৈছে। ডুৰান্ত কাপ অনুষ্ঠিত হৈছে। সাহিত্য উৎসৱ আজিৰে পৰা আৰম্ভ হৈছে যত দেশ বিদেশৰ সাহিত্যিক-কবিয়ে অংশগ্ৰহণ কৰিব। বিটিআৰ চুক্তিয়ে অঞ্চলটোলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই অনা বাবেই আজি সকলোৱে বিটিআৰ চুক্তিখনক প্ৰশংসা কৰিছে, সৰ্বশ্ৰেষ্ঠ বুলি আখ্যা দিছে। ইপিনে গ্ৰীণ ফিল্ডত অনুষ্ঠিত হোৱা চতুৰ্থ বিটিআৰ চুক্তি দিৱসৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হীৰেন নাথে কয় যে বিটিআৰ চুক্তি ৰূপায়ন কৰাৰ ক্ষেত্ৰত চৰকাৰ অতি পাৰদৰ্শিতাৰে কাম কৰি আহিছে। তেওঁ কয়- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিটো দফা ৰূপায়নৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিছে। ইতিমধ্যে ৪২০৩ গৰাকী প্ৰাক্তন এনডিএফবিক এককালিন চাৰিলাখ টকাকৈ আৰ্থিক সাহাৰ্য দিয়া হৈছে। তদুপৰি ৬৭৮ গৰাকী অতিৰিক্ত কেডাৰৰ তালিকা চৰকাৰৰ হাতত পৰিছে আৰু সেয়া আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি চৰকাৰে পুনৰসংস্থাপনৰ ব্যৱস্থা কৰিব। এনডিএফবিৰ গোচৰ প্ৰত্যাহাৰৰ ক্ষেত্ৰত চৰকাৰে ২৬০ টা গোচৰ প্ৰত্যাহাৰৰ বাবে চৰকাৰে অনুমোদন দিছে। ইয়াৰে ৩০ টা গোচৰৰ অদ্যপি প্ৰত্যাহাৰ হোৱা নাই যিহেতু তেওঁলোকৰ ঠিকনামতে বিচাৰি পোৱা হোৱা নাই। ইপিনে এবছুৰ সভাপতি দ্বীপেন বড়োৱে কয় যে বিটিআৰ শান্তি চুক্তিয়ে ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিছে। ঐক্য আৰু প্ৰগতিৰ বড়োলেণ্ড গঢ়াত মূল ভূমিকা গ্ৰহণ কৰিছে। বড়ো শান্তি চুক্তিৰ ফলত বড়ো ভাষাক ৰাজ্যিক সহকাৰী ভাষাৰ মৰ্যদা দিছে , বিটিআৰৰ বাহিৰত বড়ো -কছাৰী উন্নয়ন আৰু কল্যান পৰিষদ গঠন হৈছে। এনডিএফবিৰ গোচৰ প্ৰত্যাহাৰ হৈছে, ৪৪১ জন এনডিএফবি কেডাৰে ৫ লাখকৈ আৰ্থিক সাহায্য পাইছে। বিটিআৰ চুক্তিৰ কেইটামানহে দফা ৰূপায়িত হবলৈ বাকী আছে। তদুপৰি ৰঞ্জন দৈমাৰীসহ ৬৩ গৰাকী কেডাৰক জেলৰ পৰা মুকলি কৰি দিবলৈ দাবী জনাই বড়োৱে কাৰ্বিআংলঙত বসৱাস কৰা বড়োসকলক জনজাতিৰ মৰ্যদা প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰিছে। আনহাতে শোভাযাত্ৰাৰ ফ্লেগ অফ কৰি বিধায়ক লৰেন্স ইছলাৰীয়ে বিটিআৰ চুক্তিৰ ফলত সীমা সম্প্ৰসাৰণ হোৱাটো চুক্তিখনৰ অন্যতম সফলতা বুলি মন্তব্য কৰি চুক্তিৰ কিছু দফা ৰূপায়ণৰ কাম বাকী আছে আৰু তাৰ বাবে আলাপ-আলোচনা, পৰ্যালোচনা অব্যাহত আছে বুলি সদৰি কৰিছে। আজিৰ অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মকে ধৰি বহু বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে।

# ‘২০১৪ৰ পূৰ্বে মন্ত্ৰী হোৱাৰ সৌভাগ্য হৈছিল, কিন্তু বৃহৎ চিন্তা কৰিব পৰা নাছিলো’

## শোণিতপুৰত দলীয় কৰ্মীক সম্বোধি মুখ্যমন্ত্ৰীৰ মন্তব্য

**ই-সংবাদ, তেজপুৰ, ২৭ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইদুদিনীয়া কাৰ্যসূচীৰে শোণিতপুৰ জিলাত উপস্থিত হৈ বিভিন্ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে৷ ২৬ জানুৱাৰীৰ নিশা প্ৰায় চাৰে ৯ বজাত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ ভৰলীপৰীয়া কন্যকা বহুমুখী পামত উপস্থিত হৈ বহু সময় কটায়। ভৰলীপৰীয়া কন্যকা বহুমুখী পামত নুমলীগড় ৰিফাইনাৰী লিমিটেডৰ বিত্তীয় সাহায্যৰে নিৰ্মিত কন্যকা যোগ আৰু শৰীৰ চৰ্চা কেন্দ্ৰৰ শুভ উন্মোচন কৰে। বাঁহ-বেতৰে নিৰ্মিত কন্যকা ‘কটেজ’ পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰীয়ে৷ আজি মুখ্যমন্ত্ৰীয়ে প্ৰথমে তেজপুৰৰ চকীঘাটত চৰকাৰী আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে৷ তেজপুৰ চৰকাৰী আইন মহাবিদ্যালয় ১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হ’ব। তাৰ পাছতে ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত উপস্থিত হৈ ছাত্ৰী নিৱাসৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। জামুগুৰিহাটত ৮৮ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা হ’ব ছাত্ৰী নিৱাস। শোণিতপুৰ মালৰগাঁৱত মুক্তিযোদ্ধা ভূমিধৰ বৰদলৈৰ নামৰ নিৰ্মাণ হোৱা ষ্টেডিয়াম উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে৷ ১০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হৈছে মুক্তিযোদ্ধা ভূমিধৰ বৰদলৈ সোঁৱৰণী ষ্টেডিয়ামখন। ৬ কোটি টকা ব্যয়েৰে নিৰ্মিত নাদুৱাৰ ৩০খন বিছনাযুক্ত সমূহীক স্বাস্থ্যকেন্দ্ৰ উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। চতিয়াত নাট্যমঞ্চৰো আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীয়ে আজি বিভিন্ন কাৰ্যসূচীত ভাষণ প্ৰদান কৰি অসমত উন্নয়ন হোৱা বুলি দাবী কৰে৷ বিশেষকৈ অসমত শিক্ষাত এক বিপ্লৱৰ আৰম্ভণি ঘটিছে বুলি দাবী কৰে মুখ্যমন্ত্ৰীয়ে৷ যোৱা ৫ বছৰত, ৬খন বিশ্ববিদ্যালয় নিৰ্মাণ আৰু এই বছৰত ৮খন নতুন বিশ্ববিদ্যালয় নিৰ্মাণ কৰাৰ ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে৷ পূৰ্বতে অসমত তিনিখন চৰকাৰী চিকিৎসা মহাবিদ্যালয় আছিল আৰু এতিয়া ১৬খন হৈছে৷ বহু কেইখন নিৰ্মীয়মাণ অৱস্থাত আছে৷ অহা কিছু বছৰৰ ভিতৰত ২৩খন চিকিৎসা মহাবিদ্যালয় স্থাপন সম্পূৰ্ণ হ’ব বুলিও কয় মুখ্যমন্ত্ৰীয়ে৷ ইয়াৰ মাজতে তেজপুৰত ৰোড-শ্ব কৰে মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীৰ ৰোড-শ্বত হাজাৰ হাজাৰ লোক ওলাই আহে৷ মুখ্যমন্ত্ৰীয়ে কয় যে তেজপুৰবাসীৰ অকুণ্ঠ মৰম-আদৰ আৰু আশীৰ্বাদত কৃতজ্ঞ হ’লো৷ ইপিনে ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰীয়ে এক ইতিবাচক দৃষ্টিভংগীৰে জীৱনত আগবাঢ়িবলৈ যাবলৈ নতুন প্ৰজন্মক আহ্বান জনায়৷ মুখ্যমন্ত্ৰীয়ে ছাত্ৰ সমাজক পৰামৰ্শ দি কয় যে আমি নিজকে ভৱিষ্যতৰ সমল হিচাপে গণ্য কৰি বৰ্তমানত মানৱ সম্পদৰ ৰূপত নিজক গঢ় দিয়া উচিত৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমত নদীত সুৰংগ, কাজিৰঙাৰ অৰণ্যৰ ওপৰেৰে এলিভেটেড কৰিডৰ, নতুন সেঁতুৰ দৰে অত্যাধুনিক প্ৰকল্পৰ কাম আগবাঢ়িছে৷ গৰুখুঁটি কৃষি প্ৰকল্পৰ সাফল্যক আধাৰ হিচাপে লৈ ৰাজ্যজুৰি এনে প্ৰকল্প গ্ৰহণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছো৷ যাতে বেদখলমুক্ত কৰা ভূমিক কৃষি আৰু অন্যান্য উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰো। মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত সকলোতকৈ বাধা দিবলৈ সক্ষম হোৱা জামুগুৰিহাটত বাৰেচহৰীয়া ভাওনা প্ৰকল্পত দলীয় কৰ্মীৰে মত বিনিময় কৰে৷ মুখ্যমন্ত্ৰী ড০ শৰ্মাই দলীয় কৰ্মীক লোকসভা নিৰ্বাচনৰ বাবে সাজু হ’বলৈ আহ্বান জনাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ ৰাইজৰ মাজলৈ নিবলৈ আহ্বান জনায়৷ মুখ্যমন্ত্ৰীয়ে কৰ্মীসকলক আৰু কয় যে ২০১৪ চনৰ আগত মই মন্ত্ৰী হোৱাৰ সৌভাগ্য হৈছিল৷ যদিও কিছু বৃহৎ চিন্তা কৰাৰ সাহস নাছিল৷ আজি প্ৰধানমন্ত্ৰী মোদীৰ বাবে আমাৰ সকলোৰে বিশ্বাস যে আমি কেৱল জনসাধাৰণৰ কল্যাণৰ বাবে ডাঙৰ চিন্তা কৰাই নহয়, আমি চিন্তাক কাৰ্যকৰীত গুৰুত্ব দিছো৷

# কোকৰাঝাৰত অৰুণাচল প্ৰদেশ বিধানসভাৰ অধ্যক্ষ, বিটিআৰ সচিবালয় পৰিদৰ্শন

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ জানুৱাৰীঃ** অৰুণাচল প্ৰদেশ বিধান সভাৰ অধ্যক্ষ পাছাং দৰ্জী সোণাই আজি বিটিআৰ বিধান পৰিষদীয় ভৱন আৰু বিটিআৰ সচিবালয় পৰিদৰ্শন কৰে৷ বিটিআৰ বিধান পৰিষদীয় ভৱনৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য নীলুৎ স্বৰ্গিয়াৰী আৰু বিধায়ক লৰেন্স ইছলাৰীয়ে আৰণাই ফুলৰ থোপা চেৰজা, এড়ী বস্ত্ৰৰে পাছাং দৰ্জী সোণাক আদৰণি আৰু সম্বৰ্ধনা জনায়। ইপিনে বিটিআৰ সচিবালয় পৰিদৰ্শন কৰি অভিভূত হৈ পৰে অৰুণাচল প্ৰদেশ বিধানসভাৰ অধ্যক্ষ পাছাং দৰ্জী সোণা। বিটিআৰ বিধান পৰিষদ ভৱন উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে অন্যতম সুন্দৰ আৰু বিশাল বিধান সভা বুলি অভিহিত কৰে তেওঁ দ্বিতীয় বাৰলৈ বিটিআৰ লৈ আহিছে বুলি জানিবলৈ দিয়ে। বিটিআৰ বিধান পৰিষদীয় ভৱনৰ অধ্যক্ষ কাতিৰাম বড়ো আৰু বিষয়াৰ সতে তেওঁ এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হয় অৰুণাচল প্ৰদেশ বিধানসভাৰ অধ্যক্ষগৰাকী৷ উল্লেখ্য যে প্ৰাছাং দৰ্জী সোণাই আজি কোকৰাঝাৰ চান্দামাৰীত অনুষ্ঠিত হোৱা তৃতীয় কোকৰাঝাৰ সাহিত্য উৎসৱৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছিল৷

শেষ পৃষ্ঠা

# বিপদত অসম

**গুৱাহাটী, ২৭ জানুৱাৰীঃ** ইয়াৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰঞ্জি এলাইট গ্ৰুপ 'বি'ৰ এখন মেছত বংগৰ প্ৰথম ইনিংছৰ ৪০৫ ৰানৰ উত্তৰত দ্বিতীয় দিনৰ অন্তত আঠ উইকেটত ৯৯ ৰান কৰি বিপদত পৰিছে ঘৰুৱা দল অসম। ইফালে আঘাতৰ বাবে অসমৰ অধিনায়ক ৰিয়ান পৰাগে বেটিং কৰিব নোৱাৰাটো দলৰ বাবে বৃহৎ ক্ষতি বিবেচিত হৈছে। অসমৰ ডেনিচ দাস (৫০) আৰু চাহিল জৈন (৩৬)ৰ বাহি কোনো এজন বেটাৰে দুটা অংকৰ ৰান সংগ্ৰহ কৰিব নোৱাৰিলে। পৰাগৰ অবৰ্তমানত কাইলৈ পুৰাই অসমে ফলো-অন কৰাটো নিশ্চিত। চলিত চিজনত এতিয়ালৈকে জয়ৰ মুখ নেদেখা অসমে বাকী দুটা দিনত কি যাদু দেখুৱাই সেয়া লক্ষণীয় হ'ব। ইয়াৰ পূৰ্বে অনুষ্টুপ মজুমদাৰৰ ১২৫ আৰু অধিনায়ক মনোজ তিৱাৰীৰ ১০০ ৰানৰ সহায়ত ১৩১.৪ অভাৰত ৪০৫ ৰান কৰি ইনিংছ সামৰে বংগই। বলিঙত অসমৰহৈ মোখতাৰ হুছেইনে ৮৬ ৰানত চাৰিটা আৰু ধ্ৰুৱনী ৰাভাই ৫৪ ৰানত দুটা উইকেট দখল কৰে। বেটিঙৰ দৰে বলিঙতো প্ৰভূত্ব বিস্তাৰ কৰা বংগই নিয়ন্ত্ৰিত বলিংত দিশহাৰা হয় ঘৰুৱা দলটোৰ বেটাৰ সকল। আলহী দলটোৰ সূৰজ, জয়চোৱাল, কাফে তিনিটাকৈ উইকেট দখল কৰে।

# দ্বিতীয়টো গ্ৰেণ্ডশ্লেম জয় বোপান্নাৰ

**মেলবৰ্ণ, ২৭ জানুৱাৰীঃ** ভাৰতৰ বৰ্ষীয়ান টেনিছ তাৰকা ৰোহন বোপান্নাই কেৰিয়াৰৰ দ্বিতীয়টো গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰিছে। আজি অনুষ্ঠিত হোৱা অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ ডব'লছৰ ফাইনেলত তেওঁ মেথিউ এবডেনক সংগী কৰি ইটালীৰ যুটি ছাইমন বলেল্লি আৰু আন্দ্ৰেয়া ভাৱছৰীক ৭-৬ আৰু ৭-৫ ছেটত পৰাস্ত কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বীতামূলক খেলখনত দ্বিতীয় বাচনিৰ ইণ্ডো-অষ্ট্ৰেলিয়ান যুটিটোৱে বাচনি বিহিন ইটালীয়ান খেলুৱৈ দ্বয়ৰ বিৰুদ্ধে স্নায়ু যুঁজত হেৰুৱাই শেষ হাঁহি মাৰে।



■ ৯৩ সংখ্যক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰঙিয়া অধিবেশনৰ পবিত্ৰ নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা

# ইনষ্টাগ্ৰামৰ বন্ধুৰ বাবে বিপদত এগৰাকী যুৱতী

**অনলাইন ফিচাৰ্ছ, ২৭ জানুৱাৰী:** চিনাকি হৈছিল ইনষ্টাগ্ৰামৰ জৰিয়তে। তাৰ পিছতে লাহে লাহে গঢ়ি উঠিছিল বন্ধুত্ব। ভাৰ্চুৱেল দুনীয়াত দীঘলীয়া বন্ধুত্বৰ পিছত অৱশেষত দেখা দেখি হৈছিল যুৱক-যুৱতীহালৰ। কিন্তু এই দেখা-দেখিয়েই এক ভয়ংকৰ অভিজ্ঞতা দি গ'ল ২১ বৰ্ষীয় যুৱতীগৰাকীক। ইনষ্টাগ্ৰামৰ জৰিয়তে চিনাকি হোৱা বন্ধুৰ হাতত যৌন নিৰ্যাতনৰ বলি হ'বলগীয়া হয় যুৱতীগৰাকীয়ে। এই ঘটনাৰ পিছতে সামাজিক মাধ্যমযোগে নিজৰ ভয়াবহ অভিজ্ঞতা শ্বেয়াৰ কৰি ন্যায় বিচাৰে মুম্বাইৰ তৰুণীগৰাকীয়ে। যুৱতীগৰাকীয়ে প্ৰকাশ কৰা মতে, যোৱা ১৩ জানুৱাৰীত তেওঁৰ সৈতে সংঘটিত হয় এই ধৰ্ষণৰ ঘটনা। হৃত্বিক শ্বাহ নামৰ এজন যুৱকৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ তুলি যুৱতীগৰাকীয়ে কয় যে ইনষ্টাগ্ৰামত চিনাকি হোৱাৰ পিছতে যুৱকজনৰ ঘৰতে তেওঁলোকৰ প্ৰথম দেখা দেখি হৈছিল। এই প্ৰথম দেখা দেখিতেই যুৱকজনে তেওঁক অধিক মদ্যপান কৰোৱাই অচেতন কৰি পিছত ধৰ্ষণ কৰাৰ অভিযোগ কৰে যুৱতীগৰাকীয়ে। তেওঁ লগতে কয় যে নিশাৰ এই ধৰ্ষণৰ পিছত পিছদিনা যুৱকজনে তেওঁৰ ওচৰত আহি ক্ষমা বিচাৰে যদিও তেওঁ ক্ষমা কৰি দিবলৈ অস্বীকাৰ কৰাত যুৱকজনে ভয়-ভাবুকি প্ৰদান কৰি পলায়ন কৰে। এই ঘটনাৰ পিছত যুৱতীগৰাকীয়ে ৱাৰ্লি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে যদিও ১২ দিনৰ পিছতো অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ নকৰাত ন্যায় বিচাৰি এনেদৰে সামাজিক মাধ্যমত পোষ্ট কৰিবলৈ বাধ্য হোৱা বুলি মন্তব্য কৰে যুৱতীগৰাকীয়ে। নিজৰ এই ভয়ানক অভিজ্ঞতা বৰ্ণনা কৰি যুৱতীগৰাকীয়ে অন্য মহিলা ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীকো ভাৰ্চুৱেল দুনীয়াৰ বন্ধুৰ পৰা বাস্তৱৰ পৃথিৱীত আঁতৰি থাকিবলৈ সকীয়াই দিয়ে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান